বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## নম্ৰতা আৰু বিনম্ৰতাৰ আলোকত হজৰত মহম্মদ (ছাঃ)ৰ মহান চৰিত্ৰৰ এক আকৰ্ষণীয় দিশসমূহৰ বৰ্ণনা

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ১৫ মে ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে আমি এই কথা বিশ্বাস কৰোঁ আৰু ইয়াৰ ওপৰত আমাৰ পূৰ্ণ ঈমান আছে যে, যদি এই পৃথিৱীত কোনো নিখুঁত বা কামিল মানুহৰ জন্ম হৈছে, তেন্তে তেখেত হ'ল হজৰত মহম্মদ মুস্তাফা (ছাঃ)। তেখেতৰ পূৰ্বে কোনো নিখুঁত মানুহৰ জন্ম হোৱা নাই আৰু পিছতো হ'ব নোৱাৰে। আল্লাৰ অধিকাৰ (হকুকুল্লাহ) আদায় কৰাই হওক বা বান্দাৰ অধিকাৰ (হকুকুল ইবাদ) আদায় কৰাই হওক, তেখেতৰ ব্যক্তিত্বত সকলোবোৰ উচ্চ নৈতিকতাৰ সমাবেশ ঘটা দেখা যায়। তেখেতৰ মহান চৰিত্ৰসমূহৰ ভিতৰত এটা অন্যতম গুণ আছিল নম্ৰতা আৰু বিনয়ী ভাৱ।

আজি এই সন্দৰ্ভত মই কিছুমান হাদীছ আৰু হজৰত মছীহ মাওউদ (আঃ)এ কৰা কিছুমান মন্তব্য দাঙি ধৰিম। হজৰত মছীহ মাওউদ (আঃ)এ কৈছে যে, নবী কৰীম (ছাঃ)-তকৈ শ্ৰেষ্ঠ কোনো আদৰ্শ পৃথিৱীত আন কোনো মানুহৰ মাজত নাই আৰু কিয়ামতলৈকে হ'বও নোৱাৰে। ইয়াৰ পিছতো চোৱা, ঐশ্বৰিক ক্ষমতা আৰু মোজেজাসমূহ লাভ কৰাৰ পিছতো হুজুৰ (ছাঃ)ৰ অন্তৰত সদায় দাসত্ব আৰু নম্ৰতাৰ ভাৱেই বিৰাজ কৰিছিল আৰু তেখেতে বাৰে বাৰে 'ইন্নামা আনা বাশ্বাৰুম মিছলুকুম' (মই তোমালোকৰ দৰেই এজন মানুহ) বুলিয়ে কৈছিল।

তেখেতে কৈছে, বৃথা অহংকাৰ আৰু গৌৰৱেৰে ফিতাহি মৰাৰ পৰা আঁতৰি থাকিব লাগে আৰু নম্ৰতা তথা বিনয়ী ভাৱ অৱলম্বন কৰিব লাগে। চোৱা! হজৰত মহম্মদ (ছাঃ) যিজন প্ৰকৃততে আটাইতকৈ মহান আৰু সৰ্বোচ্চ মৰ্যাদাৰ অধিকাৰী আছিল, তেখেতৰ নম্ৰতা আৰু বিনয়ৰ এক সুন্দৰ নিদৰ্শন পবিত্ৰ কোৰানত বৰ্ণিত হৈছে। লিখা আছে যে, এজন অন্ধ ব্যক্তি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ আহি পবিত্ৰ কোৰান পাঠ কৰিছিল। এদিন তেখেতৰ ওচৰত মক্কাৰ বিশিষ্ট ব্যক্তিসকল আৰু চহৰৰ নেতাসকল সমবেত হৈছিল আৰু তেখেত (ছাঃ)এ তেওঁলোকৰ সৈতে বাৰ্তালাপত ব্যস্ত আছিল। সেই অন্ধ লোকজন অলপ সময় অপেক্ষা কৰি তাৰ পৰা গুচি গ'ল। তেখেতে কৈছে যে, এইটো অতি

সাধাৰণ কথা আছিল, কিন্তু আল্লাহ তা'লাই এই সন্দৰ্ভত এটা ছুৰা নাজিল (অৱতীৰ্ণ) কৰিলে। ইয়াৰ পিছত হজৰত মহম্মদ (ছাঃ)এ সেই অন্ধ লোকজনৰ ঘৰলৈ গ'ল আৰু তেওঁক নিজৰ সৈতে আনি নিজৰ পবিত্ৰ চাদৰখনৰ ওপৰত বহুৱালে। আচল কথাটো হ'ল, যিসকল লোকৰ অন্তৰত আল্লাহৰ মহিমা থাকে, তেওঁলোক অনিবাৰ্যভাৱে নম্ৰ আৰু বিনয়ী হ'বই লাগে, কিয়নো তেওঁলোকে সদায় আল্লাহৰ স্বতন্ত্ৰতাক (বেনিয়াজী) ভয় কৰে আৰু কঁপি থাকে।

হুজুৰ-এ-আনৱাৰে (পবিত্ৰ ইমাম) কৈছে: এয়া কেৱল এটা ঘটনা নহয় যিটো কোৰআন কৰীমত বৰ্ণনা কৰা হৈছে বা হজৰত মছীহ মাওউদ (আঃ)-এ বৰ্ণনা কৰিছে, বৰঞ্চ এইটো আমাক দিয়া এটা শিক্ষা যে হজৰত মহম্মদ (ছাঃ) আপোনালোকৰ বাবে এক উত্তম আদৰ্শ। গতিকে, যদি আপোনাক তেখেৰ (ছাঃ) ৰ প্ৰতি প্ৰেমৰ দাবী আছে, তেন্তে আপুনিও নম্ৰতা আৰু বিনয়ৰ সৰ্বোচ্চ মানদণ্ড অৰ্জন কৰিবলৈ চেষ্টা কৰক।

ৰছুলুল্লাহ (ছাঃ)-এ কৈছে যে প্ৰতিজন মানুহৰ মূৰৰ সৈতে দুডাল শৃংখল (শিকলি) বান্ধি থোৱা হৈছে। এডাল শৃংখল আকাশৰ ফালে আৰু এডাল শৃংখল পৃথিৱীৰ ফালে। যেতিয়া এজন বান্দাই (দাসে) নম্ৰতা আৰু বিনয়ী ভাব গ্ৰহণ কৰে, তেতিয়া আকাশৰ শৃংখলডাল হাতত থকা ফিৰিস্তাজনে (স্বৰ্গদূত) সেই শৃংখলডাল ওপৰলৈ তুলি লয়, আৰু যেতিয়া তেওঁ অহংকাৰ আৰু গৌৰৱ কৰে, তেতিয়া পৃথিৱীৰ শৃংখলডালে তাক তললৈ টানি নিয়ে। আঁহজৰত (ছাঃ)-এ কৈছে যে যেতিয়া বান্দাই নম্ৰতা অৱলম্বন কৰে, তেতিয়া আল্লাহ তা'লাই তেওঁক সপ্তম আকাশলৈকে উন্নীত কৰে। আঁহজৰত (ছাঃ) ৰ নিজৰ নম্ৰতাৰ মানদণ্ড কেনেকুৱা আছিল? এই সন্দৰ্ভত হজৰত আনছ (ৰা:) ৰ পৰা বৰ্ণিত হৈছে যে এবাৰ এজন ব্যক্তিয়ে নবী (ছা:) ক সম্বোধন কৰি ক'লে, হে আমাৰ চৰ্দাৰ (নেতা) ! হে কল্যাণৰ কল্যাণ!" তেওঁৰ এই কথা শুনি তেখেত (ছাঃ) এ ক'লে, হে লোকসকল! আল্লাহৰ প্ৰতি ভয় নিজৰ ওপৰত অপৰিহাৰ্য কৰি লোৱা, চয়তানে যেন তোমালোকক বিপথে পৰিচালিত নকৰে। মই মহম্মদ বিন আব্দুল্লাহ। আল্লাহৰ বান্দা আৰু তেওঁৰ প্ৰেৰিত পুৰুষ (পয়গম্বৰ)। আল্লাহৰ শপত! মই এইটো পচন্দ নকৰোঁ যে আল্লাহে মোক যি মৰ্যাদা দিছে, তোমালোকে মোক তাতকৈ বঢ়াই-বঢ়াই বৰ্ণনা কৰা।

একেদৰে আঁহজৰত (ছাঃ)-এ কৈছে যে কাৰো কৰ্মই তাক জান্নাতত (স্বৰ্গত) প্ৰৱেশ কৰাব নোৱাৰে। চাহাবাসকলে সুধিলে, হে আল্লাহৰ ৰছুল (ছাঃ)! আপোনাকো? তেখেত (ছা:) এ ক'লে, নহয়! মোকো নহয়। কেৱল আল্লাহে মোক তেওঁৰ অনুগ্ৰহেৰে ঢাকি নোলোৱালৈকে মইও বেহেস্তত প্ৰৱেশ কৰিব নোৱাৰিম।

ৰছুলুল্লাহ (ছাঃ)-এ এই বুলি প্ৰাৰ্থনা কৰিছিল, হে মোৰ আল্লাহ! মোক মিছকীন (দৰিদ্ৰ) হিচাপে জীয়াই ৰাখা, মিছকীন হিচাপেই মৃত্যু দিয়া আৰু মিছকীনসকলৰ দলতেই মোক পুনৰুত্থিত কৰিবা।

এবাৰ এগৰাকী মানসিকভাৱে কিছু দুৰ্বল মহিলাই তেখেত (ছাঃ)ক ক'লে, হে মহম্মদ (ছাঃ)! মোৰ আপোনাৰ সৈতে এটা কাম আছে। তেখেত (ছা:) ক'লে, হে অমুকৰ মাতৃ! তুমি মোক যি গলিতেই লৈ যাব বিচৰা লৈ যোৱা, যেতিয়ালৈকে মই তোমাৰ কামটো কৰি নিদিওঁ।

হুজুৰে কৈছে, ৰছুলুল্লাহ (ছাঃ) যেতিয়াই আনছাৰসকলৰ ওচৰলৈ গৈছিল, তেতিয়াই তেওঁলোকৰ ল'ৰা-ছোৱালীক ছালাম জনাইছিল, তেওঁলোকৰ মূৰত হাত ফুৰাইছিল আৰু তেওঁলোকৰ বাবে দোৱা কৰিছিল।

এবাৰ এজন ব্যক্তি তেখেত (ছাঃ)ৰ সেৱাত উপস্থিত হৈ তেখেতৰ লগত কথা পাতিলে। আঁহজৰত (ছাঃ) ৰ গাম্ভীৰ্য আৰু প্ৰভাৱৰ বাবে তেওঁৰ কান্ধ কঁপিবলৈ ধৰিলে, তেতিয়া তেখেত (ছা:) এ ক'লে, ধৈৰ্য্য ধৰা! মই কোনো ৰজা নহয়, মই কেৱল এগৰাকী মহিলাৰ পুত্ৰহে যিগৰাকীয়ে শুকান মঙহ খাইছিল।

হজৰত মছীহ মাওউদ (আঃ)-এ কৈছে যে আল্লাহ তা'লাই আমাৰ নবী (ছাঃ) ক যেনেকৈ সফলতা দান কৰিছিল, তেখেত (ছাঃ) সিমানেই বেছিকৈ নম্ৰতা আৰু বিনয়ী ভাব অৱলম্বন কৰি গৈছিল।

হজৰত মহম্মদ (ছাঃ)-এ কৈছে, মোৰ প্ৰশংসাত ইমান অতিৰঞ্জিত নকৰিবা যেনেকৈ খ্ৰীষ্টানসকলে ইবনে মৰিয়ম (যীচু)ৰ প্ৰশংসাত অতিৰঞ্জিত কৰিছিল। মই কেৱল আল্লাহৰ এজন বান্দাহ (দাস)। গতিকে তোমালোকে কেৱল ইয়াকে ক'বা যে তেওঁ আল্লাহৰ বান্দাহ আৰু তেওঁৰ ৰছুল (প্ৰেৰিত পুৰুষ)।

হজৰত মহম্মদ (ছাঃ)-এ কৈছে যে কাৰোৱে বাবে এইটো কোৱা উচিত নহয় যে মই ইউনুছ বিন মত্তাতকৈ শ্ৰেষ্ঠ। সৃষ্টিজগতৰ ভিতৰত আটাইতকৈ শ্ৰেষ্ঠ হোৱা সত্বেও, তেখেত (ছাঃ) চৰম বিনম্ৰতাৰ বাবে নিজৰ শ্ৰেষ্ঠত্ব প্ৰকাশ কৰাত বাধা দিছিল। এবাৰ এজন ব্যক্তিয়ে তেখেত (ছাঃ)ক 'খাইৰুল বাৰিয়্যাহ' (সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ) বুলি সম্বোধন কৰাত তেখেতে কৈছিল, তেখেত আছিল ইব্ৰাহিম (আঃ)।

হুজুৰে আনোৱাৰে কৈছে, নিশ্চয়কৈ হজৰত মহম্মদ (ছাঃ) সৃষ্টিজগতৰ ভিতৰত আটাইতকৈ উত্তম আছিল আৰু আজিও খাইৰুল বাৰিয়্যাহ হৈয়েই আছে, কিন্তু তেখেত অত্যন্ত বিনম্ৰতাৰ বাবে এই সন্মান হজৰত ইব্ৰাহিম (আঃ)ৰ প্ৰতি উৎসৰ্গা কৰিছিল।

যেতিয়া মক্কা বিজয় হৈছিল, তেতিয়া হজৰত মহম্মদ (ছাঃ)-এ এক লাখ চাহাবীৰ সৈতে হজ্ব পালন কৰিছিল। সেই সময়ত তেখেতৰ বিনম্ৰতাৰ অৱস্থা এনে আছিল যে  তেখেতে এটা সাধাৰণ কুজাও থকা আৰোহী (উটৰ পিঠিত বহিবলৈ তৈয়াৰ কৰা সাধাৰণ আসন) ব্যৱহাৰ কৰিছিল আৰু তেখেতৰ চাদৰখনৰ মূল্য আছিল মাত্ৰ চাৰি দিৰহাম বা তাতকৈও কম।

হজৰত মছীহ মাওউদ (আঃ)এ কৈছে যে 'আহমদ' নামটো সৌন্দৰ্য্যৰ প্ৰকাশক আৰু ইয়াৰ বিপৰীতে 'মহম্মদ' নামটো মহিমাৰ প্ৰকাশক। ইয়াৰ কাৰণ হ'ল 'মহম্মদ' নামটোত প্ৰিয় হোৱাৰ ৰহস্য নিহিত হৈ আছে, আনহাতে 'আহমদ' নামটোত প্ৰেমিক হোৱাৰ ৰহস্য লুকাই আছে 'মহম্মদ' নামৰ মাজত থকা প্ৰিয় হোৱাৰ যি মহিমা, তাক চাহাবীসকলৰ জৰিয়তে প্ৰকাশ কৰা হৈছিল আৰু যিসকল লোকে অপমান কৰিছিল বা বিদ্ৰোহ কৰিছিল, আল্লাহৰ প্ৰিয় হোৱাৰ সেই মহিমাই তেওঁলোকক দমন কৰিছিল।

হজৰত আনছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)-এ ৰোগীৰ খবৰ লৈছিল, জানাজাত উপস্থিত হৈছিল আৰু গাধৰ পিঠিতো উঠিছিল। তেখেত এজন ক্ৰীতদাসৰ আমন্ত্ৰণো গ্ৰহণ কৰিছিল।

হজৰত মহম্মদ (ছাঃ)-এ মানুহৰ আৱেগ-অনুভূতিক কিমান গুৰুত্ব দিছিল, তাৰ এক উদাহৰণ হ'ল— এবাৰ তেখেতে এজন কুষ্ঠৰোগীৰ হাত ধৰি নিজৰ সৈতে একেটা পাত্ৰতে খাবলৈ বহুৱাইছিল আৰু কৈছিল, আল্লাহৰ নাম লৈ খোৱা, খোদাৰ ওপৰত ভৰষা আৰু বিশ্বাস ৰাখি খোৱা।

এটা যাত্ৰাৰ সময়ত যেতিয়া হজৰত মহম্মদ (ছাঃ)-এ এটা ছাগলীৰ মাংস ৰান্ধিবলৈ নিৰ্দেশ দিছিল, তেতিয়া চাহাবীসকলে ছাগলীটো জবাহ কৰা, ছাল বকলোৱা আৰু ৰন্ধা-বঢ়া কৰাৰ দায়িত্ব নিজৰ ওপৰত লৈছিল। এই ক্ষেত্ৰত তেখেত (ছাঃ) এ কৈছিল, খৰি যোগাৰ কৰাৰ দায়িত্ব মোৰ। চাহাবীসকলে কলে, হে আল্লাহৰ ৰাছুল (ছাঃ)! আপোনাৰ কামখিনি কৰিবলৈ আমি সকলোৱেই যথেষ্ট। তেতিয়া হজৰত মহম্মদ (ছাঃ)-এ কৈছিল, মই জানো যে তোমালোকে কৰিব পাৰিবা, কিন্তু মই তোমালোকৰ মাজত বিশেষ বা অনন্য হৈ থাকিব নিবিচাৰো। কাৰণ আল্লাহে পছন্দ নকৰে যে তেওঁৰ কোনো বান্দাহে আন মানুহৰ মাজত নিজকে বিশেষ বা অনন্য বুলি গণ্য কৰক।

হজৰত আয়েশা (ৰাঃ)-এ কৈছে যে নবী (ছাঃ)-এ ঘৰৰ কাম-কাজত ঘৰৰ মানুহক সহায় কৰিছিল আৰু যেতিয়া নামাজৰ সময় হৈছিল, তেতিয়া তেখেত নামাজৰ বাবে গৈছিল।

হুজুৰে আনোৱাৰে কৈছে, ইয়াত সেইসকল পুৰুষৰ বাবেও নিৰ্দেশনা আছে, যিসকলে ঘৰৰ কাম-কাজ কৰিবলৈ একেবাৰে অস্বীকাৰ কৰে আৰু পত্নীসকলৰ অভিযোগৰ সৃষ্টি হয়। নবী কৰিম (ছাঃ) এ নিজৰ জোতা নিজে মেৰামতি

কৰি লৈছিল, নিজৰ কাপোৰ নিজে চিলাই কৰিছিল আৰু নিজৰ ঘৰত ঠিক তেনেদৰেই কাম কৰিছিল যেনেকৈ আপোনালোকৰ মাজৰ কোনোবাই নিজৰ ঘৰত কাম কৰে।

হুজুৰে আনোৱাৰে কৈছে যে ইয়াৰ পৰা এইটোও জনা যায় যে চাহাবাসকলেও নিজৰ ঘৰত পত্নীসকলক সহায় কৰিছিল, কিন্তু ইয়াত এইটোও স্পষ্ট হোৱা উচিত যে ঘৰুৱা কাম-কাজৰ আচল দায়িত্ব পত্নীসকলৰহে।

তেখেত (ছাঃ) সদায় অগ্ৰাধিকাৰমূলক বিশেষ মৰ্যাদা ল’বলৈ অস্বীকাৰ কৰিছিল; নবী কৰিম (ছাঃ) এ মছজিদে নববী নিৰ্মাণৰ সময়ত ইটা কঢ়িওৱা কামত মানুহৰ লগত হাত মিলাইছিল, খন্দক (খাৱৈ) খন্দাৰ সময়ত মাটি কঢ়িয়াইছিল, আৰু অৱস্থা এনেকুৱা আছিল যে মাটিয়ে তেখেত (ছাঃ)ৰ বুকুত থকা নোমবোৰ ঢাকি পেলাইছিল।

এবাৰ  তেখেত (ছাঃ)ৰ আগমনত চাহাবাসকল থিয় হৈছিল, তেতিয়া তেখেত (ছাঃ) এ কৈছিল যে এনে নকৰিবা, এনেকুৱা পাৰস্যৰ লোকসকলে ডাঙৰ লোকসকলৰ বাবে কৰে।

হজৰত মুছলেহ মাওউদ (ৰাঃ) এ কৈছে যে নবী (ছাঃ) এ নিজৰ আগমনত মানুহক থিয় হ’বলৈ নিষেধ কৰিছিল আৰু কৈছিল যে এইটো ইৰানীসকলৰ ৰীতি-নীতি। মই কোনো ৰজা নহয়।

হজৰত মছীহ মাওউদ (আঃ)এ কৈছে, মোৰ মতে পবিত্ৰ হোৱাৰ আটাইতকৈ উত্তম উপায় এইটোৱেই, আৰু সম্ভৱ নহয় যে ইয়াতকৈ কোনো উত্তম উপায় পোৱা যাব—যাতে মানুহে কোনো ধৰণৰ অহংকাৰ আৰু গৌৰৱ নকৰে। বিদ্যাৰ ক্ষেত্ৰত নহয়, বংশৰ ক্ষেত্ৰত নহয়, ধন-সম্পত্তিৰো ক্ষেত্ৰত নহয়... মানুহে যেতিয়ালৈকে এগৰাকী দৰিদ্ৰ আৰু অসহায় বৃদ্ধাৰ সৈতে তেনে আচৰণ নকৰে, যিটো এজন উচ্চ বংশজাত আৰু মৰ্যাদাপূৰ্ণ ব্যক্তিৰ সৈতে কৰে বা কৰা উচিত, আৰু সকলো ধৰণৰ অহংকাৰ, ঔদ্ধত্য আৰু দম্ভৰ পৰা নিজকে আঁতৰাই নাৰাখে, তেতিয়ালৈকে তেওঁ কেতিয়াও আল্লাহ তা’লাৰ দৰবাৰত প্ৰৱেশ কৰিব নোৱাৰে।

আল্লাহ তা’লাই আমাক নম্ৰতাৰ প্ৰকৃত অৰ্থ বুজি পোৱাৰ আৰু সদায় আঁহজৰত (ছাঃ)ৰ আদৰ্শক সন্মুখত ৰখাৰ সামৰ্থ্য দান কৰক। আমীন।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئاٰتِ اعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**Assamese Khulasa Khutba Hazur Anowar 15 May 2026**

**Nazarat Nashor-O-Ishaat Qadian**